# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

**Date :** 06-04-2024

**Time :** 17-15 Hrs

## *Assamese EVENING Bulletin*

ভাৰতীয় জনতা পাৰ্টিৰ আজি ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দলটোৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে জ্যেষ্ঠ নেতা অমিত শ্বাহ আৰু ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰসাদ নাড্ডাই দলীয় নেতা-কৰ্মীসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত আজি প্ৰধানমন্ত্ৰী মোদীয়ে দলৰ উত্তৰণত তেওঁলোকৰ কষ্ট, সংঘাত আৰু ত্যাগৰ বাবে ধন্যবাদ জনায়। তেওঁ উল্লেখ কৰে যে এন ডি এৰ এটা প্ৰধান অংশ হিচাপে দলে গৌৰৱ অনুভৱ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপিক দেশৰ সৰ্ববৃহৎ ৰাজনৈতিক দল হিচাপে গঢ় দিয়াৰ বাবে দলীয় কৰ্মীসকলক ধন্যবাদ জনায়। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই দেশজুৰি দলক শক্তিশালী কৰাৰ বাবে জ্যেষ্ঠ নেতাসকলক কৃতজ্ঞতা জনায়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইতো দলীয় কৰ্মকৰ্তাসকলে বিভিন্ন অনুষ্ঠান আয়োজন কৰে। ডিব্ৰুগড় জিলাত প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে পতাকা উত্তোলন কৰে। জিলা বিজেপিৰ সভাপতি উজ্জ্বল কাশ্যপৰ উপস্থিতিত অনুষ্ঠিত কাৰ্যসূচীত ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীক স্মৰণ কৰা হয়। দৰং জিলা বিজেপিৰ কাৰ্যালয়তো বিশেষ যোগদান কাৰ্যসূচী আয়োজন কৰা হয়। বৰপেটা জিলাতো প্ৰতিষ্ঠা দিৱসৰ অংশ হিচাপে জিলা কাৰ্যালয়ৰ পৰা এটা পদযাত্ৰা উলিওৱা হয়। ইফালে গুৱাহাটীতো গুৱাহাটী মহানগৰ জিলা কাৰ্যালয়ত ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দলটোৰ ইতিহাস, সাফল্য আৰু উদ্দেশ্য তথা আকাংক্ষা বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।

০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যতো ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ পৰিছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিতাবৰৰ বোকাহোলা চাহ বাগিচাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমবেত ৰাইজক উদ্দেশ্যে দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলক বিশ্বৰ সন্মুখত পৰিচিত কৰিবলৈ ভালেমান পদক্ষেপ লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ ২৬ বাৰ অসম ভ্ৰমণে অসমৰ বিভিন্ন

পৰ্যটনক্ষেত্ৰসমূহ বিশ্ববাসীক চিনাকি কৰাই দিয়া বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। স্বাধীনোত্তৰ ভাৰতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনেহে অসম তথা অসমৰ সংস্কৃতিক যথোপযুক্ত সন্মান আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই দাবী কৰে।

ইফালে ৰাজ্যৰ যোগান মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি গোসাঁইগাঁৱত এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰি সমূহীয়া ভৱনত আয়োজিত বিজেপি, ইউ পি পি এল আৰু অগপৰ জনসম্পৰ্ক অভিযান কাৰ্যসূচীত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিৰ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি দাবী কৰে। বিজেপি নেতৃত্বাধীন এন ডি এয়ে সেৱাৰ মনোভাৱেৰে ক্ষমতালৈ আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এই সেৱাৰ মনোভাৱে জনসাধাৰণৰ আস্থাক আকৌ জয় কৰিব।

বাক্সা জিলাৰ ঢেকীয়াজানীতো আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে জয়ন্ত বসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে কাজিৰঙাত বিজেপিৰ প্ৰভাৰী অভিমন্যু সিঙে সাংবাদিকক সম্বোধন কৰি কয় যে, বিকাশ আৰু প্ৰগতিক মূলমন্ত্ৰ হিচাপে লৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা দলটোৱে এইবাৰ অসমৰ সংখ্যালঘু লোকসকলকো আকৰ্ষণ কৰিব পাৰিছে।

ইফালে যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি অসমৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ সহৰস্থানৰ বিষয়ে উল্লেখ কৰি কয় যে, অঞ্চলটোৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে কাম কৰিবলৈ তেওঁ দৃঢ় সংকল্পবদ্ধ।

০০০

সমাগত লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ বিভিন্ন প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচীসমূহ ৰাজ্যজুৰি অব্যাহত ৰখা হৈছে। এই উপলক্ষে মঙলদৈ জিলা পুথিভৰালত সূক্ষ্ম পৰ্যবেক্ষকসকলৰ এখন দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিত নিয়োগ কৰা ২৫৯ জন সূক্ষ্ম পৰ্যবেক্ষকক এই কাৰ্যসূচীত প্ৰশিক্ষণ দিয়া হয়। ইতিমধ্যে জিলাখনৰ দলগাঁও, মঙলদৈ আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

ইফালে জিলাখনত ভোটদাতা ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ কোষ অৰ্থাৎ ছুইপে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। জিলাখনত তিনিটা বিধানসভা সমষ্টিত মুঠ ৮৩৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০

ঃঃ সমাপ্ত ঃঃ